অধ্যায় ৭ ঃ জতুৱা ঠাঁচ আৰু খণ্ডবাক্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ জতুৱা ঠাঁচ আৰু খণ্ডবাক্য
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্রগতিৰ খতিয়ান
৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ ব্যৱহাৰ সম্পর্কে জানিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটাত আপুনি অসমীয়া ভাষাৰ ব্যাকৰণগত দিশ কিছুমানৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি অসমীয়া ভাষাৰ গঠন ৰীতিৰ কেতবোৰ নিজস্ব শৈলী সম্পর্কে অধ্যয়ন কৰিব।

ভাষা মানুহৰ মনৰ ভাব প্রকাশৰ বিশেষ মাধ্যম। মানুহে পাৰস্পৰিক ভাবৰ আদান-প্রদানৰ বাবে সৃষ্টি কৰা অর্থ প্রকাশক প্রণালীবদ্ধ ধ্বনি সমষ্টিকেই ভাষা বোলা হয়। প্রত্যেক ভাষাৰে একো একোটা নিজস্ব প্রকাশভংগী, শৈলী আছে। অর্থাৎ প্রত্যেক ভাষাৰে মনৰ ভাব প্রকাশ কৰাৰ একোটা নিজস্ব ধৰণ থাকে। অসমীয়া ভাষাৰো কেতবোৰ এনে স্বকীয় বিশেষত্ব আছে। এইবোৰেই অসমীয়া ভাষাৰ মূল চালিকা শক্তি স্বৰূপ। অসমীয়া ভাষাত প্রয়োগ হোৱা জতুৱা ঠাঁচ আৰু খণ্ডবাক্যই ইয়াৰ স্বকীয়তাৰ পৰিচায়ক। অসমীয়া ভাষাৰ প্রকাশিকা শক্তিৰ কালিকা জানিবলৈ হ'লে আমি এই দিশবোৰৰ লগতো পৰিচিত হ'ব লাগিব। এই অধ্যায়টোত জতুৱা ঠাঁচ আৰু খণ্ডবাক্য সম্পর্কে আলোচনা দাঙি ধৰা হৈছে।

৭.৩ জতুৱা ঠাঁচ আৰু খণ্ডবাক্য

প্রত্যেকটো ভাষাৰে একোটি ঘৰুৱা ঠাঁচ বা ভংগী থাকে বুলি আমি ইতিমধ্যেই উল্লেখ

কৰিছোঁ। এই নিজা ভংগী বা ঘৰুৱা ঠাঁচটিকে সেই ভাষাৰ জতুৱা ঠাঁচ বোলা হয়। সাধাৰণতে কোনো এটা ভাষা কোৱা লোকসকলৰ নিজস্ব প্ৰকাশভংগী, আচাৰ-ব্যৱহাৰ, ধৰণ-কৰণ, সামাজিক ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা ইত্যাদিৰ আধাৰতে এইবিলাক গঢ় লৈ উঠে। প্ৰথম অৱস্থাত এইবিলাক দৈনন্দিন কথা-বার্তাৰ জৰিয়তে ঘৰুৱা পৰিৱেশত, ঘৰুৱা ঠাঁচতে গঢ় লৈ উঠে। কালক্ৰমত এইবোৰে ভাষাৰ লিখিত ৰূপতো ব্যৱহাৰ হ'বলৈ ধৰে।

সাধাৰণতে জতুৱা ঠাঁচবিলাকৰ প্ৰয়োগ দুই ধৰণে হয়। যথা — ভাষাৰ জতুৱা প্ৰয়োগ ৰূপে আৰু জতুৱা খণ্ডবাক্য ৰূপে। ইয়াৰে জতুৱা খণ্ডবাক্যৰ ভিতৰত ফকৰা-যোজনা, প্ৰবাদ-প্ৰৱচন, পটন্তৰ আদি অন্তৰ্ভুক্ত।

কোনো কার্য কৰা বা হোৱা বুজাবলৈ বেলেগ বেলেগ নামশব্দৰ লগত নির্দিষ্ট কিছুমান শব্দ (বিশেষকৈ ক্ৰিয়া) বিশেষভাৱে ব্যৱহাৰ কৰা হয়। এনে দৰে কৰা ক্ৰিয়াৰ নির্দিষ্ট প্ৰয়োগকে ভাষাৰ জতুৱা প্ৰয়োগ বোলা হয়। উল্লেখযোগ্য যে, কোনটো শব্দৰ লগত কোনটো ক্ৰিয়াৰ প্ৰয়োগ কৰিলে ভাষাৰ শুদ্ধ প্ৰয়োগ হয় সেই কথা জনাতো দৰকাৰ। এই বিলাকৰ নির্দিষ্ট প্ৰয়োগতহে ভাষাৰ বিশুদ্ধতা ৰক্ষা পৰে। অন্যথা ভাষাই নিজৰ বৈশিষ্ট্যখিনি হেৰুৱাই বিজতৰীয়া হৈ পৰাৰ সম্ভাৱনা অধিক। অসমীয়া ভাষাতো নিজস্ব সৌন্দর্য প্ৰকাশক এনে জতুৱা ৰূপৰ প্ৰয়োগ বিদ্যমান। অসমীয়া ভাষা শুদ্ধকৈ জানিবলৈ হ'লে আমি এইবোৰৰ বিষয়ে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে। বর্তমান সময়ত অসমীয়া ভাষাত অশুদ্ধ ক্ৰিয়াৰ প্ৰয়োগে ব্যাপক ৰূপ ধাৰণ কৰিছে। উদাহৰণ এটাৰে কথাটি বুজাই ক'লে সহজ হ'ব। আজি কালি দেখা যায় সকলোৱে 'ৰখি' থাকে বা 'বনায়'; লগৰ বন্ধুলৈ ৰখি থাকে, বাচলৈ ৰখি থাকে, ঠিক সেইদৰে ভাত বনায়, ঘৰ বনায়, চাহ বনায়। কিন্তু অসমীয় ভাষাত গৰু-ছাগলী আদি জীৱ-জন্তুক হে ৰখি (ৰখীয়া হৈ) থকা হয়, বন্ধুলৈ বা বাচলৈ ৰৈ থাকিবহে লাগে। ঠিক সেই দৰে ঘৰ সাজিব লাগে, ভাত ৰান্ধিব লাগে আৰু চাহ তপতাব লাগে, কাৰণ চৰাই-চিৰিকতিহে বনায় (এনেয়ে ঘূৰি ফুৰা) ফুৰে বা ধান বনায় (খুন্দে)। অসমীয়া ভাষাৰ শুদ্ধ প্ৰয়োগ শিকিবৰ বাবেই আমি অসমীয়া ভাষাৰ জতুৱা প্ৰয়োগ সম্পর্কে অধ্যয়ন কৰিব লাগে। তলত ভিন্ ভিন্ নামশব্দৰ লগত বেলেগ বেলেগ ক্ৰিয়া যোগ হৈ গঠন হোৱা অসমীয়া ভাষাৰ জতুৱা প্ৰয়োগৰ কেইটিমান চানেকি দেখুওৱা হ'ল —

আঁঠুৱা তৰে	আউল লাগে	আটা মাৰে
আকাৰ লয়	আসন পাৰে	আঞ্জা কাঢ়ে
আঁঠু কাঢ়ে	আঠু লয়	ইতিকিং কৰে
উবুৰি খায়	উবুৰি হয়	উশাহ লয়
উল গোঁঠে	এছাৰি জোকাৰে	ওহাৰ পাতে
ওহাৰ নামে	কথা কয়	কথা পাতে
কথা দিয়ে	কাণ পাতে	কাহ মাৰে
কণী উমায়	কাপোৰ বয়	কাপোৰ ধোৱে

খং উঠে	খং কৰে	খাৰ সৰায়
খং জামৰে	খেল খেলে	খেপ লয়
খৰ মাৰে	গুণ দিয়ে	গুণ ধৰে
গৰম পৰে	গছত বগায়	গধুলি হয়
ঘৰ সাজে	ঘৰ পাতে	ঘৰ ভাঙে
ঘূমটি মাৰে	চাউল কাঢ়ে	চাকি লগায়
চমক লাগে	চাং পাতে	ছল কৰে
ছাটি ধৰে	ছেলু লয়	জ্বাল দিয়ে
জ্বাল কাঢ়ে	জগৰ লগায়	জগৰ ভাঙে
জাৰ লাগে	টোপ দিয়ে	টোপ গিলে
টোকৰ মাৰে	ঠগ খায়	ঠেহ পাতে
ঠেকা খায়	ঠেঙুলি মেলে	ডাক দিয়ে
ডকা দিয়ে	ডাবি মাৰে	ডাঙৰি পেলায়
ঢাপলি মেলে	ঢেঁকী দিয়ে	দন্দ কৰে
দন্দ ভাগে	দৰব পিহে	দুপৰ হয়
তাঁত বয়	তাঁত জোৰে	তৎ পায়
থোক মেলে	থোক পৰে	ধান দায়
ধান সিঁচে	ধুন মাৰে	নাম লয়
নাম গায়	নাম থয়	পণ কৰে
পিয়াহ লাগে	পিয়াহ পলায়	ফুল ফুলে
ফাঁকি দিয়ে	ফাঁচ লয়	বাট বুলে
বৰ দিয়ে	বৰ লয়	ভয় খায়
ভয় লাগে	ভয় হয়	ভাত ৰান্ধে
মত দিয়ে	মত সলায়	মন কৰে
মন মেলে	শৰাই ভাঙে	শপত খায়
শৰণ লয়	শৰ মাৰে	সকাম কৰে
সকাম পাতে	সাজ সলায়	হৰণ কৰে
হাল জোৰে	হাত পাতে	ৰ'দ ওলায়
ৰং লাগে	ৰহন সানে	ৰস বয়
ক্ষমা কৰে	ক্ষমা খোজে	ক্ষমা মাগে।



চিন্তা-চৰ্চা কৰক — ৭.১

হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ব্যাকৰণ, সত্যনাথ বৰাৰ *বহল ব্যাকৰণ*, দীপ্তি ফুকন পাটগিৰিৰ *আধুনিক অসমীয়া ব্যাকৰণ* তথা বজাৰত উপলব্ধ বিভিন্ন ৰচনা পুথি সংগ্ৰহ কৰি তাত উল্লেখ থকা আৰু ওপৰৰ তালিকাখনত অন্তৰ্ভুক্ত নকৰা অসমীয়া ভাষাৰ জতুৱা প্ৰয়োগসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ কোন কেইটা জতুৱা প্ৰয়োগ ভুল নিৰ্ণয় কৰক — খং কৰে, খেপ লয়, খৰ পৰে, গুণ লগায়, গুণ ধৰে, গছত বগায়, ঘৰ বনায়, ঘূমটি পৰে, গাখীৰ পগায়

.....

.....

.....

বিশেষ্য, বিশেষণ, ক্ৰিয়া আৰু বিভিন্ন পদক বেলেগ বেলেগকৈ বা একেলগে বিশেষ অৰ্থত প্ৰয়োগ কৰিও খণ্ডবাক্য বা জতুৱা খণ্ডবাক্য গঠন কৰা হয়। এই খণ্ডবাক্যসমূহে অভিধানগত সাধাৰণ অৰ্থ প্ৰকাশ নকৰি একোটা বিশেষ অৰ্থ বা ভাব প্ৰকাশ কৰে। যেনে — 'হাত টান' এই খণ্ডবাক্যই টান হাতৰ কথা নুবুজাই কৃপণ, চিকটা আদি অৰ্থহে প্ৰকাশ কৰে। সাধাৰণতে এই খণ্ডবাক্যবোৰ মানৱ দেহৰ বিভিন্ন অংগ-প্ৰত্যংগ বা সচৰাচৰ চকুৱে দেখি থকা বা মানুহে ব্যৱহাৰ কৰি থকা শব্দৰ আধাৰতে সৃষ্ট। উল্লেখযোগ্য যে, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ, প্ৰৱচন আদিও জতুৱা খণ্ডবাক্যৰ অন্তৰ্গত। এই ক্ষেত্ৰত অসমীয়া ভাষা অতি চহকী। অসমীয়া ভাষাত থকা অলেখ জতুৱা খণ্ডবাক্যই ভাষাটিক শুৱলা-সুৱদি কৰাৰ লগতে ভাষাৰ প্ৰকাশিকা শক্তিৰ ব্যাপকতাৰ পৰিচয়ো দাঙি ধৰিছে। তলত কেইটিমান অসমীয়া জতুৱা খণ্ডবাক্যৰ উদাহৰণ দাঙি ধৰা হ'ল—

- **বিশেষ্য শব্দক বিশেষ অৰ্থত ব্যৱহাৰ কৰি**

কপাল ফুটা —	দুৰ্ভাগ্য উপস্থিত হোৱা
কপাল ফুলা —	সৌভাগ্য উপস্থিত হোৱা
কাণ কটা —	নিলাজ, দুষ্ট
কাণে কাণ মাৰি —	কোনো মতে
গা-গধুৰ —	এলেহুৱা
চকু গজা —	বুজন হোৱা
চকু মুদা —	মৃত্যু হোৱা

ঘৰ কৰা — গৃহস্থালি কৰা

নাম ৰখা — যশস্যা হোৱা

- **বিশেষণক বিশেষ অর্থত ব্যৱহাৰ কৰি**

আলাবাদু — কোনো কামৰ যোগ্য নোহোৱা

ধোদৰ পচলা — এলেহুৱা লোক

আটোম টোকাৰি — পৰিপাটি, নিয়াৰি

ভেটাৰগোঁজ — উপঢৌকন

কেঁচা ঘুমটি — আধা টোপনি

সৰবৰহী — সকলোৱে ভালপোৱা

টটাটিঙা — টেঙৰ, দুষ্ট

ভেৰা কুটীয়া — ধেমেলীয়া

- **ক্রিয়া পদক বিশেষ অর্থত ব্যৱহাৰ কৰি**

মাটি কৰা — নষ্ট কৰা

জেঙা লগা — লেঠা লগা

মাত লগা — সম্বোধন কৰা

ধুন মৰা — দেখনিয়াৰ হোৱা

বাজি মৰা — পণ ধৰা

গা এৰা দিয়া — সম্পর্ক এৰা

খাই পাত ফলা — অশলাগী

চাকি চোৱা — সোৱাদ বুজা

- **বিভিন্ন পদক একেলগে বিশেষ অর্থত ব্যৱহাৰ কৰি**

অজীণ পাতকী — মিলিব নোৱাৰা

অথাই সাগৰ — ডাঙৰ বিপদ

অলপ পানীৰ মাছ — দুর্বল

আঁচলৰ ধন — অতি মৰমৰ

আঁঠুৱা তলৰ মহ — নিজৰ অধীনৰ

আকাশত চাং পতা — অস্বাভাৱিক কল্পনা

আলাসৰ লাড়ু — অতি মৰমৰ

পাবত গজা — ওপৰতে হোৱা

ফুটুকাৰ ফেন — অসাৰ।

- **বাক্য ৰচনাত জতুৱা খণ্ডবাক্যৰ প্রয়োগ**

গা-গধুৰ ঃ *গা-গধুৰ* স্বভাৱৰ মানুহে জীৱনত উন্নতি কৰিব নোৱাৰে।

একাণ পতীয়া ঃ *একাণ পতীয়াকৈ* (একনিষ্ঠভাৱে) লাগি থাকিলেহে যি কোনো ক্ষেত্ৰত সাফল্য লভিব পাৰি।

ধুন মৰা ঃ পঢ়া-শুনা নকৰি *ধুন মাৰি* ঘূৰি ফুৰিলে পৰীক্ষাত পাছ কৰিব নোৱাৰি।

আকাশত চাং পতা ঃ *আকাশত চাং পাতি* থাকিলে বাস্তৱ জীৱনত উজুতি খোৱাই স্বাভাৱিক।



চিন্তা-চৰ্চা কৰক — ৭.২

ইয়াৰ আগৰ 'চিন্তা-চৰ্চা কৰক'ত উল্লেখ কৰা পুথিকেইখনত সহায়ত ওপৰৰ তালিকাখনত অন্তৰ্ভুক্ত নকৰা অসমীয়া ভাষাত প্ৰচলিত জতুৱা খণ্ডবাক্যসমূহৰ এখন তালিকা প্ৰস্তুত কৰি অৰ্থ লিখি বাক্যত কেনেদৰে প্ৰয়োগ কৰা হয় সেয়া লিপিবদ্ধ কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ তলত উল্লেখ কৰা জতুৱা খণ্ড বাক্যবোৰৰ অৰ্থ লিখক— কাণ কটা, চকু গজা, অজান পাতকী, আঁঠুৱা তলৰ মহ, পাবত গজা।

.....

.....

ফকৰা-যোজনা-পটন্তৰ মানুহৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ ফল। ফকৰা হ'ল কোনো উদাহৰণ দেখুৱাবৰ বাবে এশাৰী-দুযাৰী বা ততোধিক শাৰীৰে বুজোৱা কথা। কোনো কথা অধিক অৰ্থবহ কৰি তুলিবৰ বাবে ফকৰাৰ প্ৰয়োগ কৰা হয়। উদাহৰণস্বৰূপে — 'কোটাৰ ঘৰৰ কুটি, লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি' — ইয়াৰ দ্বাৰা বুজাব বিচৰা হৈছে যে পৰৰ অহিত চিন্তা কৰোঁতে নিজৰেই অনিষ্ট হোৱাৰ থল থাকে। কেইটিমান অসমীয়া ফকৰাৰ উদাহৰণ হ'ল—

- আহক বাৰিষা কাটক পাত
  ৰৈ যা ভিনিহি খাই যা ভাত।
- পশু নকৰিবা শৰ, মৰাও নানিবা জীয়াও নানিবা
  সুদা হাতে নপসিবা ঘৰ।

আনহাতে মানুহে কিছুমান কথা জোৰ দি বুজাবলৈ, আৰ্হি/নিদৰ্শন দাঙি ধৰিবলৈ নতুবা কোনো উপদেশ দিবলৈ লগত ছন্দস্পন্দ প্ৰয়োগ কৰি একোফাঁকি কথা এনেয়ে জোৰা দিয়ে, এনে জোৰা দিয়া কথাই হ'ল যোজনা। যেনে— 'অতি ভক্তি চোৰৰ লক্ষণ'— এই যোজনাত স্বাভাৱিকতকৈ বা প্ৰয়োজনতকৈ অতিমাত্ৰা ভক্তি দেখুৱা লোকসকল প্ৰকৃততে যে কপট বা বেয়া স্বভাৱৰ তাকে অৰ্থ প্ৰকাশ কৰা হৈছে। সেইদৰে 'অবুজনক বুজোৱা, ঢেৰুৱাৰ ঠাৰি

সিজোৱা'— এই যোজনাত ঢেৰুৱাৰ ঠাৰি সিজোৱা যেনে টান কাম, বুজিব নোখোজা মানুহক বুজোৱাও তেনে টান তাকে প্রকাশ কৰা হৈছে। তলত অসমীয়া ভাষাত প্রয়োগ হোৱা যোজনা কেতবোৰ উল্লেখ কৰা হ'ল—

- অচিন কাঠৰ থোৱা নলগাবা
- আঁঠুৱা চাই ঠেং মেলা
- আপদৰ মাত, আকালৰ ভাত
- উদক ভেটা ৰখীয়া পতা
- আপোনাৰ নাক কাটি সতিনীৰ যাত্রা ভংগ কৰা
- উলুৰ লগত বগৰী পোৰা
- টেঙা আম এবাৰহে বেচিব পাৰি
- অধিক মাছত বগলী কণা
- হাতী মাৰি ভুৰুকাত ভৰোৱা
- উপকাৰীক অজগৰে খায়
- উদৰ সাত পুৰুষ গ'ল কেঁচা মাছ খাই।

ঠিক সেইদৰে পটন্তৰ লোক-প্রজ্ঞাৰ স্বতঃস্ফূর্ত অভিব্যক্তি। পটন্তৰত সাধাৰণতে দুফাঁকি কথা থাকে। ইয়াৰে প্রথম ফাঁকি কথাৰ লগত দ্বিতীয় ফাঁকি কথাৰ বিষয়বস্তুৰ স্বভাৱগত বা গুণগত মিল থাকে আৰু ইটোৰ লগত সিটোক ৰিজনি দি মূল বক্তব্য প্রকাশ কৰা হয়। পটন্তৰবিলাকত অসমীয়া জনজীৱনৰ বহুতো কথাৰ সন্ধেদ পোৱা যায়। যেনে — 'মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।' এই পটন্তৰটিৰ অর্থ হ'ল — একগোট হৈ থাকিলে মৰণ নাই। অসমীয়া ভাষাত প্রচলিত এনে কেইটিমান পটন্তৰ হ'ল —

- আটাইতকৈ তিতা নেমুটেঙাৰ পাত,
  তাতোকৈ তিতা মাহী আইৰ মাত।
- তিৰীৰ লেনিওৱা, বৰষুণৰ কণিওৱা
  ঘৰ চাই নকৰে মূধচ, ইয়াকৈ নাই কুন্ধচ।

মুঠতে, জতুৱা ঠাঁচ আৰু খণ্ডবাক্যসমূহ কোনো এটা ভাষাৰ নিজস্ব সম্পদ আৰু সৌন্দর্য। কোনো এটা ভাষা সম্পূর্ণকৈ শিকিবলৈ বা জানিবলৈ হ'লে এইবোৰৰ ব্যৱহাৰ ভালদৰে শিকা উচিত। মানুহৰ জাগতিক জীৱনৰ প্রায়বোৰ কথাই এইবোৰত পোৱা যায়। ইয়াৰ পৰৱর্তী অধ্যায়টোৰ ভাব সম্প্রসাৰণ শাখাটোত দুটি যোজনাৰ মূলভাব বর্ণনা কৰা হৈছে। সেই কেইটাৰ আধাৰত আপুনি ফকৰা-যোজনা আৰু পটন্তৰৰ ভাব সম্প্রসাৰণ কৰিবলৈ যত্ন কৰিব।



জানি থোৱা ভাল

ফকৰা-যোজনা-পটন্তৰ বিশেষকৈ লোকসাহিত্যৰ অন্তৰ্গত। এই বিলাকত ৰচকৰ নাম উল্লেখ নাথাকে। এইবোৰ বিভিন্ন লোকৰ দ্বাৰা বিভিন্ন যুগৰ ৰচিত হৈছে আৰু এইবোৰ যুগনিৰপেক্ষ।



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰত্যেকটো ভাষাৰে একোটা ঘৰুৱা ঠাঁচ বা ভংগী থাকে। এই নিজা ভংগী বা ঘৰুৱা ঠাঁচটোকে সেই ভাষাৰ জতুৱা ঠাঁচ বোলা হয়।
- সাধাৰণতে জতুৱা ঠাঁচবিলাকৰ প্ৰয়োগ দুই ধৰণে হয়। যথা— ভাষাৰ জতুৱা প্ৰয়োগ ৰূপে আৰু জতুৱা খণ্ডবাক্য ৰূপে। ইয়াৰে জতুৱা খণ্ডবাক্যৰ ভিতৰত ফকৰা-যোজনা, প্ৰবাদ-প্ৰৱচন, পটন্তৰ আদি অন্তৰ্ভুক্ত। এই বিলাকৰ নিৰ্দিষ্ট প্ৰয়োগতহে ভাষাৰ বিশুদ্ধতা ৰক্ষা পৰে। অন্যথা ভাষাই নিজৰ বৈশিষ্ট্যখিনি হেৰুৱাই বিজতৰীয়া হৈ পৰাৰ সম্ভাৱনা অধিক। অসমীয়া ভাষাৰ শুদ্ধ প্ৰয়োগ শিকিবৰ বাবেই আমি অসমীয়া ভাষাৰ জতুৱা ঠাঁচ সম্পৰ্কে অধ্যয়ন কৰিব লাগে।



৭.৫ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (২০০৫); *সাহিত্য-সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
২) ঠাকুৰীয়া, ৰামমল (১৯৭১);*সাহিত্য বিচাৰ;* গুৱাহাটী ঃ লক্ষ্মী প্ৰকাশ।
৩) ডেকা আৰু ডেকা(২০০৯); *ৰচনা প্ৰবাহ;* গুৱাহাটী।
৪) ডেকা, ধৰ্মসিংহ (২০০৭); *ৰচনা বিচিত্ৰা;* গুৱাহাটী।
৫) ফুকন পাটগিৰি, দীপ্তি (১৯৯৯);*আধুনিক অসমীয়া ব্যাকৰণ;* গুৱাহাটী ঃ বুক হাইভ।
৬) বৰা, সত্যনাথ (১৯৯৮); *বহল ব্যাকৰণ;* গুৱাহাটী।
৭) বৰুৱা, তুলতুল(২০০৮)(সম্পাঃ);*অসমীয়া ৰচনা সংকলন;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰ।



৭.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ খৰ পৰে, গুণ লগায়, ঘৰ বনায়, ঘূমটি পৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ কাণ কটা — নিলাজ, দুষ্ট চকু গজা — বুজন হোৱা
অজীণ পাতকী — মিলিব নোৱাৰা আঁঠুৱা তলৰ মহ — নিজৰ অধীনৰ
পাবত গজা — ওপৰতে হোৱা



৭.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ ভাষাৰ জতুৱা ঠাঁচ মানে কি?

প্রশ্ন ২ ঃ ভুল-শুদ্ধ বিচাৰ কৰক—
ছাটি ধৰে, ছেলু ধৰি, জ্বাল দিয়ে, জগৰ পাতে, জগৰ ভাঙে

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জতুৱা খণ্ডবাক্য কেনেদৰে গঠন কৰা হয় উদাহৰণসহ লিখক।

প্রশ্ন ২ ঃ তলত উল্লেখ কৰা নাম শব্দসমূহত শুদ্ধ ক্রিয়া ব্যৱহাৰ কৰি লিখক—
খৰ, গছত, ঘৰ, ঘূমটি, চমক, ছল, জ্বাল, টোপ, টোকৰ, ঠেঙুলি, থোক, ফাঁকি

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ তলত উল্লেখ কৰা খণ্ডবাক্যসমূহৰ অর্থ লিখি বাক্য ৰচনা কৰক—
কপাল ফুলা, চকু গজা, আটোম টোকাৰি, টটাটিঙা, ধুন মৰা, অথাই সাগৰ, আঁচলৰ ধন, আলাসৰ লাড়ু, ফুটুকাৰ ফেন

*** ***** ***